# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 1845 Hrs

# ***Assamese Evening Bulletin***
## ***HEADLINES***

**- - - - - - - - - - - - - - - -**

১।	আজি শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী। বিভিন্ন স্থানত দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন পৰ্ব সম্পন্ন।

২।	গুৱাহাটী মহানগৰীত আজিৰে পৰা তিনিদিনীয়াকৈ দেৱীৰ প্ৰতিমা বিসৰ্জন। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা, আৰক্ষী প্ৰশাসনৰ ব্যৱস্থা গ্ৰহণ।

৩।	দেশৰ বিভিন্ন প্ৰান্তত দশেৰা উদযাপন। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ দেশবাসীলৈ দশেৰাৰ শুভেচ্ছা জ্ঞাপন।

৪।	ৰাজ্যজুৰি শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ পালন।	**আৰু**

৫।	বাংলাদেশৰ বিৰুদ্ধে হায়দৰাবাদত আজি হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয়খন টি-টুৱেণ্টিত টছত জিকি ভাৰতৰ বেটিঙৰ সিদ্ধান্ত।

০০০০০

আজি শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ আজি দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হয়। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃণ্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব। গুৱাহাটী মহানগৰীত আজিৰে পৰা ৩ দিনীয়াকৈ প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰীৰ কোনো কোনো অঞ্চলত আজিয়ে যথাবিহিত পৰম্পৰাৰে বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হৈছে। সম্পূৰ্ণ নিয়াৰিকৈ এই প্ৰক্ৰিয়া সম্পন্ন হৈছে বুলি আৰক্ষী আয়ুক্তই প্ৰকাশ কৰিছে। আজিৰ দিনটোত গুৱাহাটীত ৫৫ খন প্ৰতিমা বিসৰ্জন দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। আনহাতে, কাইলৈ দুই শতাধিক দেৱী প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

গুৱাহাটী মহানগৰীত বিসৰ্জন পৰ্ব সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হেমন্ত বৰা ঃ-

বাইট

শিৱসাগৰ জিলাতো আজি বিজয়া দশমী উপলক্ষে বিসৰ্জন পৰ্ব আৰম্ভ হৈছে। শিৱসাগৰ নগৰৰ থানামুখ অঞ্চলৰ দিখৌ নদীৰ ঘাটত আজি কটকটীয়া নিৰাপত্তা আৰু সুৰক্ষা ব্যৱস্থাৰে মাজেৰে প্ৰতিমা বিসৰ্জন আৰম্ভ হয়। ঢাক-ঢোল আৰু ভক্তসকলৰ হৰ্ষ উল্লাসৰ মাজেৰে পৰম্পৰাগত ৰীতি-নীতিৰে ৬ খন পূজামণ্ডপৰ প্ৰতিমা আজি বিসৰ্জন দিয়া হয়। উল্লেখযোগ্য যে শিৱসাগৰৰ দেৱীদ'লৰ পূজাৰ প্ৰতিমা বিসৰ্জন দিয়াৰ পাছতেই অন্য পূজা কমিটিসমূহৰ প্ৰতিমাসমূহ বিসৰ্জন দিয়া হয়। কাইলৈ নগৰখনৰ অন্য ১৮ খন প্ৰতিমা বিসৰ্জন দিয়া

হব। নগৰখনৰ দেৱীদৌলত ঐতিহাসিক পৰম্পৰা অনুসৰি ব্যাপক আয়োজনেৰে দুৰ্গা পূজা অনুষ্ঠিত হয়। জনবিশ্বাস আৰু আস্থাৰ প্ৰতীক দেৱীদ'লৰ দুৰ্গা পূজাই যুগ যুগ ধৰি সম্প্ৰীতিৰ বাৰ্তা দি আহিছে। প্ৰতি বছৰৰ দৰে এই বছৰো পূজাৰ নৈবদ্যৰ এটা অংশ শিৱসাগৰৰ ইছলাম ধৰ্মাৱলম্বী দৌল্লা পৰিয়ালৰ লগতে কনচেং বৰপাত্ৰ গোহাঁই পৰিয়াললৈ আগবঢ়োৱা হয়। এই কাৰ্যৰ দ্বাৰা দেৱীদ'লৰ পূজাই সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা কঢ়িয়াই আনিছে। শিৱসাগৰ জিলাৰ আয়ুক্তৰ উপস্থিতিত কালি দেৱীদ'ল চৌহদত এই বিশেষ কাৰ্যসূচী সম্পন্ন হয়। উল্লেখযোগ্য যে দেৱী দৌল প্ৰতিষ্ঠাৰ কালৰ পৰাই শিৱসাগৰৰ দৌল্লা পৰিয়ালৰ পূৰ্বপুৰুষে দেৱীদ'লত ঢাক বজাই আহিছে।

শিৱসাগৰত বিজয়া দশমী সম্পৰ্কে এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী ঃ-

**বাইট**

কৰিমগঞ্জ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ নো মেনছ লেণ্ডতো শাৰদীয় দুৰ্গা পূজা অনুষ্ঠিত হয়। এই উপলক্ষে উলহ মালহৰ পৰিবেশে বিৰাজ কৰে। অৱশ্যে সীমান্ত সুৰক্ষা বাহিনীৰ অনুমতি লৈহে এই পূজাত উপস্থিত হ'বলৈ ভক্তসকলক দিয়া হৈছিল। এই পূজাভাগৰো বিসৰ্জন প্ৰক্ৰিয়া আৰম্ভ হৈছে। গোৱালপাৰা জিলাৰ কিছুসংখ্যক পূজা সমিতিয়ে বৈদিক ৰীতি-নীতিৰ মাজেৰে আজি বিসৰ্জন কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিপৰীতে অধিক সংখ্যক পূজা সমিতিয়ে কাইলৈ প্ৰতিমা বিসৰ্জন কৰিব। চহৰখনৰ কাচাৰীঘাটত আজিৰে পৰা এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। যোৰহাট জিলাৰ বিসৰ্জন প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে জিলাখনৰ আয়ুক্তই সকলো বিসৰ্জনস্থলী আৰু ঘাট পৰিদৰ্শন কৰিছে। জিলাখনত কাইলৈ মৃণ্ময় প্ৰতিমা বিসৰ্জন দিয়া হব। কাৰ্বি আংলং জিলা প্ৰশাসনেও কাইলৈ দেৱীৰ প্ৰতিমা বিসৰ্জনৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন কৰিছে। জিলাখনত কাইলৈ এই উপলক্ষে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ লক্ষ্যৰে সুৰাৰ ক্ৰয়-বিক্ৰী, মজুতকৰণ আৰু ৰাজহুৱা স্থানত সুৰাপান নিষিদ্ধ কৰা হৈছে। ইপিনে, শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী উপলক্ষে গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীয়ে বাহন চলাচলৰ ক্ষেত্ৰত আজি আৰু কাইলৈ কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আজি পুৱা ১০ বজাৰ পৰা প্ৰতিমা বিসৰ্জন সমাপ্ত নোহোৱালৈকে কেইটামান পথ সম্পূৰ্ণ ৰূপে সাধাৰণ জনতাৰ বাবে বন্ধ থাকিব। আনহাতে, প্ৰতিমা কঢ়িওৱা বাহনসমূহ গুৱাহাটী ক্লাবৰ পৰা এম চি পথ হৈ উচ্চ ন্যায়ালয়ৰ কাষেৰে লাচিত ঘাটলৈ যাব পাৰিব। আনহাতে টক'বাৰী, পল্টন বজাৰ, উলুবাৰী, ৰিহাবাৰী দিশৰ পৰা অহা বাহনসমূহ আৰ্যনগৰ-এ কে আজাদ পথ হৈ নেপালী মন্দিৰ গধূলি বজাৰ-পানবজাৰ হৈ লাচিত ঘাটত বিসৰ্জনৰ বাবে যাব পাৰিব। একেদৰে, গণেশগুৰি, দিছপুৰ, কাহিলিপাৰা আদি অঞ্চলৰ পৰা প্ৰতিমা বিসৰ্জনৰ বাবে যোৱা বাহন সমূহ আৰ জি বৰুৱা পথ, চানমাৰি, গুৱাহাটী ক্লাব হৈ লাচিত ঘাটলৈ যাব পাৰিব। এই সময়ছোৱাত সাধাৰণ যানবাহনৰ বাবে পথ কেইটা সম্পূৰ্ণ ৰূপে বন্ধ থাকিব।

ooooo

দেশৰ বিভিন্ন অংশত আজি বিজয়া দশমী বা দশেৰা পালন কৰা হৈছে। ভগৱান ৰামৰ ৰাৱণৰ বিৰুদ্ধে জয়ৰ স্মৃতিত পালন কৰা এই উৎসৱে অশুভ শক্তিৰ বিৰুদ্ধে শুভশক্তিৰ বিজয়ক সূচায়। এই উৎসৱতে নৱৰাত্ৰি আৰু শাৰদীয় দুৰ্গোৎসৱৰো সামৰণি পৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিজয়া দশমী উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা শুভেচ্ছা বাৰ্তা যোগে কৈছে যে, এই উৎসৱে অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ বিজয়ক সূচায়। তেওঁ কয় যে, এই উৎসৱৰ সৈতে মৰ্যাদা, কৰ্তব্য পৰায়নতা, সদাচাৰ, বিনয় আৰু সাহসিক সংঘৰ্ষৰ ভালেমান প্ৰেৰণাদায়ক কাহিনী

জড়িত হৈ আছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে আস্থাৰ এই উৎসৱে সকলোৰে জীৱনলৈ সাফল্য, সমৃদ্ধি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক বিজয়া দশমীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, মা দুৰ্গা আৰু শ্ৰীৰামৰ আশীৰ্বাদত সকলোৰে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে জয়লাভ কৰিব পাৰিব।

০০০০০

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ অধীনত শিক্ষা নবিচ হিচাপে নিযুক্ত হবলৈ ইচ্ছুক যুৱক-যুৱতীসকলৰ বাবে আজি বিয়লি পাচ বজাৰ পৰা pm internship.mca.gov.in পোৰ্টেল মুকলি কৰা হৈছে। এই পোৰ্টেলত এতিয়ালৈকে ১৯৩ টা কোম্পানীয়ে ৯০ হাজাৰ ৮৪৯ টা ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। যুৱক-যুৱতীসকলক ২৪টা ক্ষেত্ৰত ইণ্টাৰ্ণশ্বিপৰ বাবে সুবিধা আগবঢ়োৱা হৈছে। কৰ্পৰেট পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, চলিত বিত্তীয় বৰ্ষত এক লাখ ২৫ হাজাৰ প্ৰাৰ্থীক এই আঁচনিৰ দ্বাৰা সামৰি লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে লক্ষ্য লৈছে। এই পোৰ্টেলত সম্প্ৰতি অপাৰেছন মেনেজমেণ্ট, উৎপাদন, ব্যৱস্থাপনা, বিক্ৰী আৰু বিপণনকে ধৰি বিভিন্ন ক্ষেত্ৰত ইণ্টাৰ্ণশ্বিপৰ সুযোগ দিয়া হৈছে। দেশৰ মুঠ ৭৩৭ খন জিলাত এই আঁচনিৰ সুযোগ প্ৰদান কৰা হব। ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই আঁচনিৰ কথা ঘোষণা কৰিছিল। ইয়াৰ অধীনত ২১ ৰ পৰা ২৪ বছৰ বয়সৰ ভিতৰত এক কোটি প্ৰাৰ্থীক ৫ বছৰৰ ভিতৰত কৰ্মসংস্থাপন যোগ্য কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। প্ৰাৰ্থীসকলে ১২ মাহৰ বাবে মাহিলী ৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য আৰু ৬ হেজাৰ টকাকৈ এককালিন অনুদান লাভ কৰিব। কেন্দ্ৰীয় চৰকাৰে যোৱা ৩ অক্টোবৰত এই পোৰ্টেলটো মুকলি কৰিছিল। এই প্ৰকল্পৰ অধীনত ২ ডিচেম্বৰৰ পৰা ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী আৰম্ভ হ'ব।

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে আজি ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাজুলীৰ সত্ৰসমূহৰ লগতে নগাঁও জিলাৰ বটদ্ৰৱা থানত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে সত্ৰপীঠ মাজুলীত ভক্তিৰসত বুৰ গৈছে। মাজুলীৰ সকলো সত্ৰ আৰু নামঘৰত ৩-৪ দিনীয়া কাৰ্যসূচীৰে জন্মোৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ আয়োজন কৰা হৈছে। নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিৱেশন কৰা হ'ব।

পশ্চিম যোৰহাটৰ বৃহত্তৰ চাৰিঙীয়া গাঁৱৰ নামঘৰত দিনজোৰা কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হয়। এই উপলক্ষে আয়োজিত ভাগৱত শোভাযাত্ৰাত স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।

নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশেষকৈ বটদ্ৰৱা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। ইপিনে, নগাঁও জিলা সত্ৰ মহাসভাৰ উদ্যোগত কলিয়াবৰৰ জখলাবন্ধা সত্ৰত কালিৰ পৰা গুৰুজনাৰ জন্মোৎসৱ আয়োজিত হৈছে। এই সন্দৰ্ভত আকাশবাণীৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট**

সত্ৰনগৰী বৰপেটাৰ লগতে জিলাখনৰ প্ৰায় সকলো সত্ৰ, নামঘৰত মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বৰপেটা সত্ৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱৰ আয়োজন কৰা

হৈছে। এই উপলক্ষে নাম প্ৰসংগ, ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। একেদৰে গুৰুজনাই জীৱনৰ সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱৰ থান, সুন্দৰীদিয়া সত্ৰ, গণককুচি সত্ৰ, বাৰাদি সত্ৰ, কমাৰকুচি সত্ৰ আদিত আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা ৰোডৰ শাখা সত্ৰ-নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত কৰা হৈছে। হাউলীৰ দলাগাঁৱতো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আজিৰে পৰা জন্মোৎসৱ আৰম্ভ হৈছে।

ধুবুৰী জিলাৰ গোলকগঞ্জৰ ৰামৰাইকুটি সত্ৰৰ লগতে কোচবিহাৰৰ মধুপুৰ সত্ৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ ভকতৰ পৰিচালনাত পুৱা প্ৰভাতী কীৰ্তনেৰে জন্মোৎসৱৰ আৰম্ভণি কৰে। ইয়াৰ পাছত মধুপুৰ সত্ৰ চৌহদৰ পৰা ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। জন্মোৎসৱ উপলক্ষে ভাগৱত পাঠ, আয়তীৰ নাম পৰিৱেশনৰ লগতে ধৰ্মালোচনা সভাও অনুষ্ঠিত হয়।

গোৱালপাৰা জিলাৰ সত্ৰ আৰু নামঘৰসমূহতো শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে বিভিন্ন ভক্তিমূলক কাৰ্যসূচী অনুষ্ঠিত হয়। গোৱালপাৰা নগৰৰ শ্যামৰাই সত্ৰত ১০ অক্টোবৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদযাপন কৰা হৈ আহিছে। একেদৰে জিলাখনৰ বগুৱানৰ ঐতিহাসিক হাটীসত্ৰতো জন্মোৎসৱৰ আয়োজন কৰা হৈছে।

গুৱাহাটী মহানগৰীৰ ১২৯ খন শাখাই কাইলৈ নামঘৰসমূহত মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰিব। এই উপলক্ষে কাইলৈ প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, শোভাযাত্ৰা, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন কাৰ্যসূচী শাখাসমূহে আয়োজন কৰিব। ইপিনে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰীৰ জিলা শাখাৰ আতিথ্যত তথা বৃহত্তৰ গুৱাহাটীৰ ৰাইজৰ সহযোগত অহা ১৯ আৰু ২০ অক্টোবৰত ৰূপনগৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হ'ব।

লখিমপুৰৰ বছাগাঁও, গোলাঘাটৰ আঠখেলীয়া নামঘৰ আৰু কোকৰাঝাৰৰ শংকৰদেৱ নামঘৰতো আজি গুৰুজনাৰ জন্মোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়।

ooooo

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখনত টছত জিকি ভাৰতে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। খেলখন ক্ষন্তেক পাছতে অৰ্থাৎ ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত